Dailyassam.com

গোট-১
অধ্যায়-৩

# মানৱ সম্পদ উন্নয়ন
# (Human Development)

যাঠি বছৰ আগতে ঝাৰখণ্ডৰ এটা ক্ষুদ্ৰ কৃষক পৰিয়ালত ৰেখাৰ জন্ম হৈছিল। ঘৰুৱা ইটো-সিটো কাম-কাজত তেওঁ মাকক সহায় কৰিছিল। তেওঁৰ ভায়েককেইজন স্কুললৈ গৈছিল, কিন্তু ৰেখাই আনুষ্ঠানিক শিক্ষা লাভ কৰিব পৰা নাছিল। যথা সময়ত ৰেখাৰ বিবাহসম্পন্ন হৈছিল যদিও দুৰ্ভাগ্যক্ৰমে তেওঁৰ পতিৰ বিয়োগ হয় আৰু সেয়েহে ৰেখাই শাহু-শহুৰৰ ওপৰত নিৰ্ভৰ কৰি চলিবলগীয়া হৈছিল আৰু বহু ক্ষেত্ৰত অৱহেলিত হ'বলগীয়া হৈছিল। তেওঁৰ ভাতৃয়ে ৰেখাক দিল্লীলৈ প্ৰব্ৰজন হোৱাত সহায় কৰি দিছিল।

জীৱনত প্ৰথমবাৰৰ বাবে তেওঁ পোনতে বাছ আৰু তাৰ পিছত ৰে'লগাড়ীত উঠি দিল্লীৰ দৰে ডাঙৰ চহৰত ভৰি থৈ অভিভূত হৈছিল। আদিতে চহৰখনৰ বৃহৎ আকৃতিৰ অট্টালিকা, ডাঙৰ বাট-পথ, দোকান-পোহাৰ, উদ্যান, মৰিশালি আদিয়ে তেওঁৰ মন পুলকিত কৰিছিল যদিও ক্ৰমে চহৰখনৰ কিছুমান দৃশ্য আৰু সংঘটিত কৰ্ম-কাণ্ডই ৰেখাৰ পূৰ্বৰ মনৰ আকৰ্ষণ ক্ৰমে ম্লান কৰি পেলাইছিল।

চহৰখনৰ সৈতে ক্ৰমে পৰিচয় হৈ ৰেখাই প্ৰত্যক্ষ কৰিলে জুপুৰিৰে গঠিত বস্তি অঞ্চলবোৰৰ পুতিগন্ধময় অৱস্থা। যান-জঁট, ক্ষুদ্ৰকায় বাট-পথ, দৰিদ্ৰতা, পেটৰ তাড়নাত সৰু সৰু ল'ৰা-ছোৱালীয়ে কৰা ভিক্ষা বৃত্তি, পদ পথত (Foot-path) শুই থকা মানুহ, প্ৰদূষিত পানী, বায়ু ইত্যাদিৰ অন্য এক ৰূপ। ৰেখাই ভাবিবলৈ ধৰিলে যে উন্নয়ন আৰু নিম্ন উন্নয়ন (Underdevelopment) সহঅৱস্থান কৰিব পাৰে জানো? উন্নয়নে জনসংখ্যাৰ একাংশক সামৰি লয় আৰু আন অংশক নলয় নেকি? উন্নয়নে পোৱা আৰু নোপোৱা (have nots) এই দুটা ভাগৰ সৃষ্টি কৰে নেকি? আমি এনেবোৰ তথ্য যি অসম্ভৱ কিন্তু প্ৰকৃত সত্য পৰীক্ষা কৰি চাওচোন আৰু পৰিঘটনাবোৰ বুজিবলৈ চেষ্টা কৰো।

কাহিনীত উল্লেখ কৰা তথ্যবোৰ অসম্ভৱ হ'লেও প্ৰকৃততে সত্য আৰু উন্নয়নৰ হাৰ সকলো ক্ষেত্ৰতেই সমান নোহোৱাটোৱেই হ'ল ইয়াৰ মূল কাৰণ। কিছুমান নিৰ্দিষ্ট অঞ্চলৰ ক্ষিপ্ৰ উন্নয়ন, ব্যক্তি বিশেষৰ কম সময়ৰ ভিতৰত হোৱা উন্নয়নে আন কিছুমান ঠাইত দুৰ্ভিক্ষ, অনাহাৰ, অপৰিপুষ্টি আদিৰ সৃষ্টি কৰে। পৰিস্থিতিৰ অৱক্ষয়ৰ বাবে এনেবোৰ কাৰক বহুলাংশে জগৰীয়া। কিন্তু প্ৰশ্নৰ উদয় হয় 'উন্নয়ন শ্ৰেণী পক্ষপাতিতামূলক নেকি?'

স্পষ্টৰূপে 'উন্নয়নক স্বাধীনতা' (Development is Freedom) বুলি ভবা হয় যদিও ই আধুনিকতা, অৱসৰ বিনোদন, পয়োভৰ আদিৰ লগত নিবিড়ভাৱে জড়িত। বৰ্তমান যুগত কম্পিউটাৰকৰণ, ঔদ্যোগীকৰণ, সুচল যাতায়াত আৰু পৰিবহণ ব্যৱস্থা, আধুনিক চিকিৎসাৰ সুবিধা, ব্যক্তিৰ নিৰাপত্তা আৰু সুৰক্ষা ইত্যাদিক উন্নয়নৰ মাপ-কাঠি হিচাপে চিহ্নিত কৰা হয়। প্ৰতিজন ব্যক্তি, গোষ্ঠী আৰু চৰকাৰে উক্ত আহিলাবোৰৰ উপলব্ধিতাৰ ওপৰত নিৰ্ভৰ কৰি উন্নয়নৰ স্তৰ (Level of Development) নিৰ্ণয় কৰে। কিন্তু উন্নয়নৰ দৃষ্টিকোণৰ পৰা ই পক্ষপাতিত্বমূলক আৰু একতৰপীয়া হ'ব পাৰে। ইয়াকেই কেতিয়াবা পশ্চিমীয়া বা ইউৰো-কেন্দ্ৰিকসদৃশ উন্নয়ন বোলে। ভাৰতবৰ্ষৰ নিচিনা প্ৰাক্তন ঔপনিবেশিক দেশত উপনিবেশকৰণ, উপান্তকৰণ (marginalisation), সামাজিক সূক্ষ্মদৰ্শী আঞ্চলিক বৈষম্যপূৰ্ণতা আদিয়ে উন্নয়নৰ অন্য দিশ দেখুৱায়।

এইদৰে, ভাৰতৰ বাবে উন্নয়ন হ'ল এক মিশ্ৰ সুবিধাজনক জোলোঙা য'ত অৱহেলা আৰু বঞ্চনাও প্ৰত্যক্ষ কৰা যায়। নগৰসদৃশ কিছুমান অঞ্চল আছে য'ত এক তাকৰীয়া জনসংখ্যাই আধুনিক সুবিধা ভোগ কৰিবলৈ সক্ষম হৈছে। আনহাতে গ্ৰাম্য অঞ্চল আৰু চহৰৰ বস্তিসদৃশ অঞ্চলত বসবাস কৰা এক বুজন পৰিমাণৰ লোকে জীৱন নিৰ্বাহৰ বাবে লাগতিয়াল ন্যূনতম সুবিধা যেনে নিৰ্মল জল, শিক্ষা, স্বাস্থ্য, অনাময় ব্যৱস্থা আদিৰ পৰা বঞ্চিত হৈ আছে। সমাজৰ বিভিন্ন লোকৰ মাজত উপলব্ধ উন্নয়নৰ সুবিধাবোৰৰ বিতৰণ

লক্ষ্য কৰিলে দেখা যায় এক পয়া আৰু পুতৌলগা উন্নয়নৰ স্বৰূপ। এইটো প্ৰতীয়মান হৈছে যে সমাজৰ অনুসূচিত জাতি আৰু জনজাতিৰ লোক, ভূমিহীন কৃষি বনুৱা দুখীয়া কৃষক আৰু বস্তিৰ বাসিন্দাসকল হ'ল সমাজৰ উপান্ত লোক। মহিলাসকলৰ এক বৃজনসংখ্যকেই ইয়াৰ ভুক্তভোগী। বিগত কেইবছৰমানৰ পৰা এই উপান্ত লোকসকলৰ অৱস্থাৰ যথেষ্ট অৱনতি হোৱা পৰিলক্ষিত হৈছে। ফলস্বৰূপে জনগণৰ একাংশই পুষ্টিহীনতাত ভোগাৰ উপৰি জীয়াতু ভুগিবলগীয়া পৰিস্থিতিৰ সৃষ্টি হৈছে. মানৱ সমাজক প্ৰত্যক্ষভাৱে প্ৰভাৱান্বিত কৰা অন্য এক আনুষংগিক উন্নয়নৰ দিশো দেখা গৈছে। সেইটো হ'ল পৰিবেশৰ অৱনতি। অৱনতি অধিক অধোগতি হৈ প্ৰদূষণৰ সৃষ্টি কৰে। বায়ু, পানী, মাটি আৰু শব্দৰ প্ৰদূষণে মানুহৰ জীৱন যাত্ৰাত যথেষ্ট প্ৰভাৱ বিস্তাৰ কৰাৰ উপৰি সমাজৰ স্থিতি বিপদসংকুল পৰিস্থিতিৰ সৃষ্টি কৰিছে। সেইদৰে দুখীয়া লোকসকলে তিনিটা আন্তঃসম্পৰ্কিত প্ৰক্ৰিয়াৰ ক্ৰমহ্ৰাসমান যোগ্যতাৰ (inter-related processes of declining Capabilities) সন্মুখীন হ'বলগীয়া হৈছে যেনে— (১) সামাজিক যোগ্যতা— জন্মস্থান চ্যুৎ (বিস্থাপিত) হোৱাৰ বাবে আৰু সামাজিক বান্ধোন শিথিল হোৱা (সামাজিক মূলধন); (২) পাৰিবেশিক যোগ্যতা— প্ৰদূষণৰ বাবে; আৰু (৩) ব্যক্তিগত যোগ্যতা— বেমাৰ-আজাৰ আৰু দুৰ্ঘটনাৰ কাৰণে। এইবোৰে মানুহৰ জীৱন নিৰ্বাহৰ গুণগত মান আৰু মানৱ সম্পদ বিকাশৰ অন্তৰায় হয়।

ওপৰৰ অভিজ্ঞতাৰ ভিত্তিত এইটো ঠাৱৰ কৰিব পাৰি যে উন্নয়নেই হ'ল জনসাধাৰণৰ সামাজিক অন্যায়বোৰ প্ৰতিফলিত কৰিব পৰা এক নাম, আঞ্চলিক বিকাশৰ অসমতা আৰু পৰিবেশ প্ৰদূষণৰ বিৰুদ্ধে প্ৰয়োজনীয় ক্ষিপ্ৰ ফলপ্ৰসূ ব্যৱস্থা কাৰ্যকৰী কৰিবৰ বাবেও ই মূল্যৱান। সামাজিক অন্যায়, মূল্যবোধৰ অৱক্ষয় আৰু মানৱ সম্পদ বিকাশৰ বাধাৰ অন্যতম মূল কাৰণ হিচাপে এইবোৰ চিহ্নিত কৰা হৈছে। পৰিস্থিতিক সংকট আৰু সামাজিক অশান্তিৰো এইবোৰ মূল কাৰণ। সেয়েহে পশ্চিমীয়া ভাবধাৰাৰ বিপৰীতে মানৱ সম্পদ বিকাশক এক সুকীয়া বিষয় হিচাপে গণ্য কৰা হৈছিল। পশ্চিমীয়া বিকাশৰ ভাবধাৰাত মানৱ সম্পদ বিকাশক সাধাৰণতে গৌণ বিষয় হিচাপে গণ্য কৰা হয়। আঞ্চলিক বৈষম্য আৰু পৰিবেশৰ সংকট উন্নয়নে সমাধান কৰিব পাৰে; এনে ধাৰণাৰ বশৱৰ্তী হৈ পশ্চিমীয়া উন্নয়ন নীতিৰ কাৰ্যকৰী ব্যৱস্থা লোৱা হয়।

অতীজতে, উন্নয়ন বুলিলে বিভিন্ন সময়ত এক সমন্বিত প্ৰচেষ্টাৰে আগবঢ়াৰ বিষয়ে সূচাইছিল। কিন্তু ১৯৯০ চনত ৰাষ্ট্ৰসংঘই প্ৰকাশ কৰা 'মানৱ সম্পদ উন্নয়ন আঁচনিৰ প্ৰতিবেদনখন (UNDP/ United Nations Development Programme Report) প্ৰণালীবদ্ধ প্ৰচেষ্টা। তেতিয়াৰ পৰাই প্ৰতিবছৰে এই অনুষ্ঠানটোৱে মানৱ সম্পদ উন্নয়নৰ খতিয়ান প্ৰস্তুত কৰি আহিছে। এই প্ৰতিবেদনখনে যে অকল মানৱ সম্পদ বিকাশৰ সংজ্ঞা দিছে সেয়াই নহয়— ইয়াৰ সংকেতবোৰৰ (indicators) সংশোধন আৰু সময়ে সময়ে সলনি কৰাৰ উপৰি নিৰ্দিষ্ট গণনাৰ জৰিয়তে লাভ কৰা নম্বৰৰ (score) ভিত্তিত পৃথিৱীৰ দেশসমূহত স্থান নিৰ্ণয় কৰি উলিয়াইছে। ১৯৯৩ চনৰ প্ৰতিবেদন অনুসৰি ক্ৰমবৰ্ধমান গণতন্ত্ৰকৰণৰ (Progressive democratisation) আৰু জনগণৰ বৰ্ধিত সবলীকৰণক মানৱ সম্পদ বিকাশৰ ন্যূনতম অৱস্থা হিচাপে গণ্য কৰা হৈছে। তদুপৰি 'উন্নয়ন মানৱকেন্দ্ৰিক হ'ব লাগিব আৰু মানৱ উন্নয়নকেন্দ্ৰিক হোৱা অনুচিত' যিটো আগৰে পৰাই চলি আহিছে।

তোমালোকে ইতিমধ্যে মানৱ সম্পদ উন্নয়নৰ ধাৰণা, সংকেতবোৰ, অধ্যয়ন বিধি, সূচকৰ গণনাৰ প্ৰণালী আদিৰ বিষয়ে 'মানৱ ভূগোলৰ প্ৰাৰম্ভিক তত্ত্ব' কিতাপখনত অধ্যয়ন কৰিছা। এই অধ্যায়ত আমি ধাৰণাবোৰৰ প্ৰায়োগিকতা আৰু সূচকবোৰ ভাৰতবৰ্ষৰ ক্ষেত্ৰত ব্যৱহাৰ কৰিম।

## ভাৰতত মানৱ সম্পদৰ বিকাশ ঃ

১.০৯ মহাপদ্ম (billion) জনসংখ্যাৰ দেশ ভাৰতবৰ্ষই মানৱ সম্পদ বিকাশৰ ক্ষেত্ৰত (HDI) পৃথিৱীৰ ১৭২ খন দেশৰ ভিতৰত ১২৭ নম্বৰ স্থান লাভ কৰিছে। সমন্বিত মানৱ সম্পদ বিকাশৰ ০.৬০২ মুল্যমানেৰে সৈতে বিকাশৰ ক্ষেত্ৰত ভাৰতবৰ্ষৰ মান মধ্যমীয়া (UNDP, 2005)।

তালিকা ৩.১ মানৱ সম্পদ বিকাশ, ভাৰতবৰ্ষ আৰু অন্য কিছুমান দেশৰ মূল্যমান

| দেশ | HDI মান | দেশ | HDI মান |
|---|---|---|---|
| নৰৱে | ০.৯৬৩ | থাইলেণ্ড | ০.৭৭৮ |
| অষ্ট্ৰেলিয়া | ০.৯৫৫ | শ্ৰীলংকা | ০.৭৫১ |
| ছুইডেন | ০.৯৪৭ | ইৰান | ০.৭৩৬ |
| ছুইজাৰলেণ্ড | ০.৯৪৭ | ইণ্ডোনেছিয়া | ০.৬৯৭ |
| আমেৰিকা যুক্তৰাষ্ট্ৰ | ০.৯৪৪ | ইজিপ্ত | ০.৬৫৯ |
| জাপান | ০.৯৪৩ | ভাৰতবৰ্ষ | ০.৬৯২ |
| বৃটিছ যুক্তৰাষ্ট্ৰ | ০.৯৩৯ | ম্যানমাৰ | ০.৫৭৮ |
| ফ্ৰান্স | ০.৯৩৮ | পাকিস্তান | ০.৫২৭ |
| জাৰ্মানী | ০.৯৩০ | নেপাল | ০.৫২৬ |
| আৰ্জেণ্টিনা | ০.৮৬৩ | বাংলাদেশ | ০.৫২০ |
| কিউবা | ০.৮১৭ | কেনিয়া | ০.৪৭৪ |
| ৰাছিয়া | ০.৭৯৫ | জাম্বিয়া | ০.৩৮৪ |
| ব্ৰাজিল | ০.৭৯২ | চাঁদ | ০.৩৪১ |
| | নাইজাৰ | ০.২৮১ | |

উৎস ঃ UNDP, HDR 2005, Oxford University Press

মানৱ সম্পদ বিকাশৰ নিম্ন সূচকাংক অতি গুৰুতৰ বিষয় যদিও বিচাৰ পদ্ধতিৰ প্ৰয়োগ আৰু সূচকাংক নিৰ্বাচন কৰি মূল্যমান উলিওৱাৰ কিছু সীমাবদ্ধতা আছে আৰু এইক্ষেত্ৰত প্ৰশ্নৰ অৱতাৰণা কৰা হৈছে। ঔপনিবেশবাদ, সাম্ৰাজ্যবাদ আৰু নব্য সাম্ৰাজ্যবাদ আদি ঐতিহাসিক কাৰক; আৰ্থ-সামাজিক কাৰক যেনে— মানৱ অধিকাৰ উলংঘন, ভাষা, ধৰ্ম, লিংগ আৰু জাতিৰ ভিত্তিত সামাজিক বৈষম্য; সামাজিক সমস্যা যেনে অপৰাধ, ভীতিপ্ৰদৰ্শন আৰু যুদ্ধ-বিগ্ৰহ; ৰাজনৈতিক কাৰক যেনে গণতন্ত্ৰ, একনায়কত্ববাদ, সবলীকৰণৰ পৰ্যায় আদি মানৱ সম্পদ বিকাশৰ প্ৰকৃতি নিৰ্ধাৰণ কৰা অন্যতম কাৰক। এই কাৰকবোৰ অকল ভাৰতবৰ্ষৰ ক্ষেত্ৰতেই নহয় অন্যান্য উন্নয়নশীল ৰাষ্ট্ৰৰ ক্ষেত্ৰতো অত্যন্ত গুৰুত্বপূৰ্ণ কাৰক হিচাপে বিবেচিত কৰা হয়।

UNDPয়ে নিৰ্বাচন কৰা সূচকবোৰ ব্যৱহাৰ কৰি ভাৰতবৰ্ষৰ পৰিকল্পনা আয়োগে ভাৰতৰ মানৱ সম্পদ উন্নয়নৰ প্ৰতিবেদনও প্ৰস্তুত কৰি উলিয়াইছে। ৰাজ্যিক আৰু কেন্দ্ৰীয় শাসিত অঞ্চলবোৰক একোটা সুকীয়া গোট হিচাপে বিবেচনা কৰি পৰ্যালোচনা আগবঢ়াইছে। সেইদৰে প্ৰতিখন ৰাজ্যিক চৰকাৰে কেন্দ্ৰীয় চৰকাৰৰ আৰ্হিত ৰাজ্যিক মানৱ সম্পদ উন্নয়নৰ প্ৰতিবেদন প্ৰস্তুত কৰাৰ কাম হাতত লৈছে। এইক্ষেত্ৰত জিলাসমূহক সুকীয়া গোট হিচাপে বিবেচনা কৰিছে। ভাৰতবৰ্ষৰ বাবে HDI প্ৰতিবেদনৰ আধাৰত সূচক মূল্যমান প্ৰস্তুত কৰি উলিওৱা হৈছে। প্ৰাৰম্ভিক মানৱ ভূগোল নামৰ কিতাপখনত তিনিটা সূচক সুকীয়াকৈ বিবেচনা কৰি সূচকাংক গণনা কৰি উলিওৱা সন্দৰ্ভত আলোচনা কৰা হৈছে। অৱশ্যে আৰ্থিক সূচকা, সামাজিক সবলীকৰণ, সামাজিক ন্যায়, গম্যতা (accessibility), পৰিষ্কাৰ-পৰিচ্ছন্নতা আৰু অন্যান্য কল্যাণমূলক বিষয়বিলাকো প্ৰয়োজন সাপেক্ষে বিবেচনাৰ আওতালৈ অনা হৈছে। সেইবোৰৰ কিছুমান তলত আলোচনা কৰা হ'ল।

## আৰ্থিক প্ৰাপ্তিৰ সূচকবোৰ ঃ

সম্পদৰ প্ৰাচুৰ্য আৰু সকলো স্তৰৰ সোতে বিশেষকৈ দৰিদ্ৰ জনগণে এইবোৰ পাব পৰাটোৱেই উদ্ভাৱনা, মংগলজনক আৰু উন্নয়নৰ চাবিকাঠি। মুঠ জাতীয় উৎপাদন (GNP) আৰু ইয়াৰ জনমূৰি প্ৰাপ্তিক দেশৰ সম্পদৰ আধাৰ/বুদ্ধিবৃত্তি জোখাৰ বাবে লোৱা

হয়। ভাৰতবৰ্ষৰ GDP ৩২০০ হেজাৰ কোটি টকা (চলিত হিচাপত) আৰু জনমূৰি আয় গড়ে ২০,৮১৩ টকা। আপাতত এয়া সন্তোষজনক যদিও দৰিদ্ৰতা, বঞ্চনা, পুষ্টিহীনতা, অশিক্ষিত, অবিচাৰ-অন্যায় আৰু আঞ্চলিক ভাবসাম্যতাৰ প্ৰাদুৰ্ভাৱে অৰ্থনৈতিক প্ৰগতিৰ স্বৰূপ উদঙাই দিয়ে।

ভাৰতবৰ্ষত উন্নত ৰাজ্যৰ সংখ্যা তাকৰ আনহাতে অনুন্নত ৰাজ্যৰ সংখ্যা অধিক। উন্নত ৰাজ্যসমূহ হ'ল মহাৰাষ্ট্ৰ, পঞ্জাৱ, হাৰিয়ানা, গুজৰাট আৰু দিল্লী। এই ৰাজ্যবোৰৰ গড় জনমূৰি আয় বছৰি ৪,০০০ টকা (১৯৮০-৮১ বৰ্ষৰ ভিত্তিত)। আনহাতে উত্তৰপ্ৰদেশ, বিহাৰ, উৰিষ্যা, অসম, মধ্যপ্ৰদেশ, জম্মু আৰু কাশ্মীৰ আদি ৰাজ্যৰ গড় জনমূৰি আয় বছৰি ২,০০০ টকাতকৈও কম। সেইদৰে উন্নত ৰাজ্যকেইখনৰ জনমূৰি উপভোগৰ খৰচ অধিক। এক সমীক্ষামতে মহাৰাষ্ট্ৰ, পঞ্জাৱ, হাৰিয়ানা, কেৰালা, গুজৰাট আদি ৰাজ্যত মাহিলি জনমূৰি খৰচৰ পৰিমাণ প্ৰায় ৬৯০ টকা। আনহাতে অনুন্নত ৰাজ্য যেনে উত্তৰপ্ৰদেশ, বিহাৰ, মধ্যপ্ৰদেশ, অসম আদিত মাহিলি জনমূৰি খৰচ হ'ল ৫২০ টকা মাত্ৰ। এনে বৈষম্যৰ অন্যতম কাৰণ হিচাপে দৰিদ্ৰতা, নিবনুৱা আৰু অৰ্ধনিবনুৱা সমস্যা আদি চিহ্নিত কৰা হৈছে।

বিহাৰ, উৰিষ্যা আদিৰ দৰে কেইবাখনো ৰাজ্যত ৪০ শতাংশতকৈও অধিক লোক দাৰিদ্ৰ্য সীমাৰেখাৰ তলত আছে। মধ্যপ্ৰদেশ, ছিকিম, অসম, ত্ৰিপুৰা, অৰুণাচলপ্ৰদেশ, নাগালেণ্ড, মেঘালয় আদিত ৩০ শতাংশতকৈও অধিক লোক দাৰিদ্ৰ্য সীমাৰেখাৰ তলত আছে। দাৰিদ্ৰতা হ'ল বঞ্চনাৰ বহিৰ্প্ৰকাশ। মানুহ জীয়াই থাকিবলৈ ন্যূনতম প্ৰয়োজনীয়তাখিনিৰ অভাৱ হোৱাটো দৰিদ্ৰতাৰ লক্ষণ। অনুন্নত ৰাজ্যবোৰৰ নিয়োগৰ হাৰ হ'ল মাত্ৰ ২৫ শতাংশ। আমাৰ দেশ ভাৰতৰ ক্ষেত্ৰতো ক্ৰমাগতভাৱে বৃদ্ধি পোৱা নিবনুৱাৰ সংখ্যাই দৰিদ্ৰতাৰ মাত্ৰা অধিক কৰি তুলিছে।

তালিকা ৩.২ ঃ ভাৰতৰ দৰিদ্ৰতাৰ ছবিখন (১৯৯৯-২০০০)

| ৰাজ্য | দাৰিদ্ৰ্য সীমাৰ তলত বাস কৰা লোক (শতাংশ হিচাপত) |
|---|---|
| অন্ধ্ৰপ্ৰদেশ | ১৫.৭৭ |
| অৰুণাচল প্ৰদেশ | ৩৩.৪৭ |
| অসম | ৩৬.০৯ |
| বিহাৰ | ৪২.৬০ |
| গোৱা | ৪.৪০ |
| গুজৰাট | ১৪.০৭ |
| হাৰিয়ানা | ৮.৪৭ |
| হিমাচলপ্ৰদেশ | ৭.৬৩ |
| পশ্চিমবংগ | ২৭.০২ |
| আন্দামান আৰু নিকোবৰ | ২০.৯৯ |
| চণ্ডীগড় | ৫.৭৫ |
| জম্মু আৰু কাশ্মীৰ | ৩.৪৮ |
| কৰ্ণাটক | ২০.০৪ |
| কেৰালা | ১২.৭২ |

Dailyassam.com

| | |
|---|---|
| মধ্যপ্ৰদেশ | ৩৭.৪৩ |
| মহাৰাষ্ট্ৰ | ২৫.০২ |
| মণিপুৰ | ২৮.৫৪ |
| মেঘালয় | ৩৩.৮৭ |
| মিজোৰাম | ১৯.৪৭ |
| দাদৰা আৰু নগৰ হাভেলী | ১৭.১৪ |
| দমন আৰু ডিউ | ৪.৪৪ |
| দিল্লী | ৮.২৩ |
| নাগালেণ্ড | ৩২.৬৭ |
| উৰিষ্যা | ৪৭.১৫ |
| পঞ্জাব | ৬.১৬ |
| ৰাজস্থান | ১৫.২৮ |
| চিকিম | ৩৬.৫৫ |
| তামিলনাডু | ২১.১২ |
| ত্ৰিপুৰা | ৩৪.৪৪ |
| উত্তৰপ্ৰদেশ | ৩১.১৫ |
| লাক্ষাদ্বীপ | ১৫.৬০ |
| পণ্ডীচেৰী | ২১.৬৭ |
| ভাৰতবৰ্ষ | ২৬.১০ |

উৎস ঃ ভাৰতৰ পৰিকল্পনা আয়োগ (২০০১), NHDR

**ক্ৰিয়াকলাপ ঃ**

- ভাৰতৰ কোনখন প্ৰদেশত দাৰিদ্ৰ্য সীমাৰ তলত বাস কৰা লোকৰ সংখ্যা অধিক?
- দাৰিদ্ৰ্য সীমাৰ তলত থকা দেশবোৰ একাদিক্ৰমে সজোৰা।
- দাৰিদ্ৰ্য সীমাৰ তলত থকা দহখন ৰাজ্য নিৰ্বাচন কৰি দণ্ডচিত্ৰৰ সহায়ত তথ্যবোৰ উপস্থাপন কৰা।

## স্বাস্থ্যকৰ জীৱনৰ সূচক (Indicators of a healthy life) ঃ

বেমাৰ আজাৰৰ পৰা মুক্ত এটা নিৰোগী শৰীৰ আৰু দীৰ্ঘায়ু জীৱন স্বাস্থ্যকৰ জীৱনৰ সূচক হিচাপে বিবেচনা কৰা হয়। গৰ্ভৱতী অৱস্থাত সুষম আহাৰৰ যোগান, মাতৃৰ যতন, শিশুৰ জন্মৰ পৰৱৰ্তী অৱস্থাত ল'বলগীয়া কাৰ্যকৰী ব্যৱস্থাৰ সুবিধা, শিশু আৰু মাতৃৰ স্বাস্থ্যৰ যতন, বাঢ়ি অহা শিশুৰ প্ৰয়োজনীয় স্বাস্থ্যৰ ব্যৱস্থা, বৃদ্ধাৱস্থাত প্ৰয়োজনীয় শাৰীৰিক আৰু মানসিক স্বাস্থ্যৰ সুব্যৱস্থা, ব্যক্তিৰ সুৰক্ষা আদি স্বাস্থ্যকৰ আৰু দীৰ্ঘায়ু জীৱনৰ মাপকাঠী। ভাৰতবৰ্ষৰ স্থিতি এইক্ষেত্ৰত কিছু সন্তোষজনক কিয়নো মৃত্যুৰ হাৰ ১৯৫১ চনত তথ্য অনুসৰি প্ৰতি হেজাৰত গড়ে ২৫.১ৰ পৰা হ্ৰাস হৈ ১৯৯৯ চনত প্ৰতি হেজাৰত গড়ে ৮.১ হৈছে; তেনেদৰে শিশুৰ মৃত্যুৰ

হাৰ প্ৰতি হেজাৰত ১৪৮ৰ পৰা হ্ৰাস হৈ ৭০ গৰাকী হৈছে। এই কালছোৱাত পুৰুষৰ আয়ুস ৩৭.১ বছৰৰ পৰা ৬২.৩ বছৰ আৰু মহিলাৰ ক্ষেত্ৰত ৩৬.২ বছৰৰ পৰা ৬৫.৩ বছৰ হয়গৈ। এয়া সুখবৰ যদিও আৰু অধিক কৰণীয় আছে। জন্মৰ হাৰৰ ক্ষেত্ৰত এই সময়ছোৱাত ৪০.৮ৰ পৰা হ্ৰাস হৈ ২৬.১ হৈছে যদিও অন্য বহুতো উন্নত দেশৰ তুলনাত ই অধিক।

লিংগ, গ্ৰাম্য আৰু নগৰীয়া স্বাস্থ্যসূচকৰ দৃষ্টিকোণৰ পৰা চাবলৈ গ'লে এই অৱস্থা অধিক উদ্বেগজনক। ভাৰতবৰ্ষত প্ৰতি হেজাৰ পুৰুষৰ বিপৰীতে মহিলাৰ সংখ্যা হ্ৰাস পাইছে। ২০০১ চনৰ পিয়ল অনুসৰি ০-৬ বছৰৰ ভিতৰত নাবালিকাৰ সংখ্যা যথেষ্ট হ্ৰাস পাইছে। কেৰালাৰ বাহিৰে অন্য প্ৰায়বিলাক প্ৰদেশতেই বালিকাৰ হাৰ হ্ৰাস পাইছে। বিশেষকৈ হাৰিয়ানা আৰু পঞ্জাব আদিৰ দৰে উন্নত ৰাজ্যৰ প্ৰতি হেজাৰ পুৰুষৰ বিপৰীতে মহিলাৰ সংখ্যা মাত্ৰ ৮০০ গৰাকী। ইয়াৰ বাবে দায়ী কাৰকবোৰনো কি? নাবালিকা বা মহিলাৰ প্ৰতি অৱহেলানে স্বাস্থ্য বিজ্ঞানৰ অগ্ৰগতিৰ বাবে বৈজ্ঞানিক পদ্ধতিৰে গৰ্ভাৱস্থাত লিংগ নিৰ্ণয় কৰিব পৰা ব্যৱস্থাৰ উদ্ভাৱন? যাৰ পৰিণতিত নাবালিকা ভ্ৰূণ হত্যাৰ প্ৰৱণতা চৰিতাৰ্থ কৰাৰ সুবিধা পাব পাৰি!

## সামাজিক সবলীকৰণৰ সূচক ঃ

**উন্নয়ন** সদায়েই স্বাধীন। ক্ষুধা, দৰিদ্ৰতা, দাসত্ব, গোলামী, অজ্ঞতা, নিৰক্ষৰতা, অন্ধবিশ্বাস আদিয়ে উন্নয়ন ব্যাহত কৰে। প্ৰকৃতাৰ্থত স্বাধীনতা সম্ভৱপৰ হ'ব পাৰে সবলীকৰণ তথা মানুহৰ সামৰ্থ্যৰ অনুশীলন আৰু সমাজৰ পছন্দৰ মতে। সমাজ আৰু পৰিবেশৰ সম্যক জ্ঞান স্বাধীনতাৰ মৌলিক বিষয়। সাক্ষৰতাৰ মাধ্যমেৰে জ্ঞান আৰু হেঁপাহৰ স্বাধীনতা লাভ কৰিব পাৰি।

### ক্ৰিয়াকলাপ ঃ

- ৰাষ্ট্ৰীয় সাক্ষৰতা হাৰতকৈ অধিক থকা ৰাজ্যবোৰৰ এখন অনুক্ৰমিক তালিকা প্ৰস্তুত কৰি তথ্যবোৰ দণ্ডচিত্ৰৰ সহায়ত উপস্থাপন কৰা
- কেৰালা, মিজোৰাম, লাক্ষাদ্বীপ আৰু গোৱাত সাক্ষৰতাৰ হাৰ অধিক হোৱাৰ কাৰণ কি?
- সাক্ষৰতাই মানৱ সম্পদ উন্নয়নৰ মৰ্যাদা বা অৱস্থা প্ৰতিফলিত কৰিব পাৰেনে?

তালিকা ৩.৩ খনলৈ মন কৰিলে ভাৰতবৰ্ষৰ কেইটামান আমোদজনক তথ্য পাব পাৰি—

- ভাৰতবৰ্ষত ২০০১ চনৰ তথ্য অনুসৰি শিক্ষিতৰ হাৰ হ'ল ৬৫.৪ শতাংশ। মহিলা শিক্ষিতৰ হাৰ হ'ল ৫৪.১৬ শতাংশ।
- দক্ষিণ ভাৰতৰ প্ৰায়কেইখন ৰাজ্যতেই মুঠ শিক্ষিতৰ হাৰ আৰু মহিলাৰ শিক্ষিতৰ হাৰ ৰাষ্ট্ৰীয় হাৰৰ তুলনাত অধিক।
- শিক্ষিতৰ হাৰৰ ক্ষেত্ৰত আঞ্চলিক বৈষম্য বিৰাজমান বিহাৰৰ দৰে ৰাজ্যত শিক্ষিতৰ হাৰ মাত্ৰ ৪৭.৫৩ শতাংশ; কিন্তু কেৰালা আৰু মিজোৰামত এই হাৰ যথাক্ৰমে ৯০.৯২ আৰু ৮৮.৪৯ শতাংশ।

স্থানিক বৈষম্যৰ উপৰিও গ্ৰাম্য আৰু নগৰীয়া শিক্ষিতৰ হাৰৰ পাৰ্থক্য বিৰাজমান। তদুপৰি ক্ষুদ্ৰ আৰু উপান্ত কৃষিজীৱী লোক, মহিলা, অনুসূচিত জাতি আৰু জনজাতি কৃষি বনুৱা আদি লোকৰ মাজত শিক্ষিতৰ হাৰ তেনেই নগণ্য। উপান্ত লোকসকলৰ মাজত শিক্ষিতৰ হাৰ বাঢ়িছে যদিও ধনী আৰু দুখীয়া লোকৰ মাজত শিক্ষিতৰ হাৰৰ প্ৰভেদ কিছু বছৰৰ পৰা বৃদ্ধি হোৱাটো পৰিলক্ষিত হৈছে।

## ভাৰতত মানৱ সম্পদ উন্নয়ন সূচকাংক ঃ


উক্ত সূচকবোৰৰ ওপৰত ভিত্তি কৰি ভাৰতৰ পৰিকল্পনা আয়োগে মানৱ সম্পদ উন্নয়নৰ সূচকাংক হিচাপ কৰি উলিয়াইছে। এইক্ষেত্ৰত ৰাজ্য আৰু কেন্দ্ৰীয়শাসিত অঞ্চলবোৰ তৃণমূল পৰ্যায়ৰ গোট হিচাপে বিবেচনা কৰা হৈছে।

তালিকা ৩.৪ ঃ মানৱ সম্পদ উন্নয়নৰ সূচকাংক, (HDI) ২০০১

| ৰাজ্য | HDI মূল্য |
|---|---|
| অন্ধ্ৰপ্ৰদেশ | ০.৪১৬ |
| অসম | ০.৩৮৬ |
| বিহাৰ | ০.৩৬৭ |
| গুজৰাট | ০.৪৭৯ |
| হাৰিয়ানা | ০.৫০৯ |
| কৰ্ণাটক | ০.৪৭৮ |
| কেৰালা | ০.৬৩৮ |
| মধ্যপ্ৰদেশ | ০.৩৯৪ |
| মহাৰাষ্ট্ৰ | ০.৫২৩ |
| উৰিষ্যা | ০.৪০৪ |
| পঞ্জাব | ০.৫৩৭ |
| ৰাজস্থান | ০.৪২৪ |
| তামিলনাড়ু | ০.৫৩১ |
| উত্তৰপ্ৰদেশ | ০.৩৮৮ |
| পশ্চিমবংগ | ০.৪৭২ |

উৎস ঃ ভাৰতৰ পৰিকল্পনা আয়োগ ২০০১, NDR ২০০১

মানৱ সম্পাদ উন্নয়নৰ ক্ষেত্ৰত ভাৰতৰ স্থিতি মধ্যমীয়া। পৃথিৱীৰ ১৭২ খন ৰাষ্ট্ৰৰ ভিতৰত ভাৰতবৰ্ষৰ স্থান কি? তালিকা ৩.৪ খনলৈ মন কৰিলে দেখা যায় যে সমন্বিত সূচকাংক ০.৬৩৮ৰে কেৰালাৰ স্থান শীৰ্ষত। ইয়াৰ পিচত আছে পঞ্জাব (০.৫৩৭), তামিলনাড়ু (০.৫৩১), মহাৰাষ্ট্ৰ (০.৫২৩) আৰু হাৰিয়ানা (০.৫০৯)। আনহাতে একেবাৰে তলৰ ১৫ খন ৰাজ্যৰ ভিতৰত আছে বিহাৰ (০.৬৩৭), অসম (০.৩৮৬), উত্তৰ প্ৰদেশ (০.৩৮৮), মধ্যপ্ৰদেশ (০.৩৯৪) আৰু উৰিষ্যা (০.৪০৪)




Can you find out the causes of the above problems?

এনে নিম্নমানৰ সূচকাংকৰ বাবে ঐতিহাসিক, ৰাজনৈতিক, অৰ্থনৈতিক আৰু সামাজিক কাৰণ জড়িত হৈ আছে। কেৰালা ৰাজ্যৰ HDI মান উন্নত হোৱাৰ মূলতেই হ'ল ২০০১ চনৰ পিয়লমতে কেৰালাত

সাক্ষৰতাৰ হাৰ প্ৰায় ৯১ শতাংশ। আনহাতে মধ্যপ্ৰদেশ, বিহাৰ অসম, উৰিষ্যা, উত্তৰপ্ৰদেশ আদি ৰাজ্যত সাক্ষৰতাৰ হাৰ কম। উদাহৰণস্বৰূপে, বিহাৰৰ সাক্ষৰতাৰ হাৰ হ'ল ৬০.৩২ শতাংশ। যিবোৰ ৰাজ্যত সাক্ষৰতাৰ হাৰ অধিক সেইবোৰত পুৰুষ আৰু মহিলাৰ সাক্ষৰতাৰ হাৰৰ প্ৰভেদ নগণ্য। কেৰালাৰ ক্ষেত্ৰত এই প্ৰভেদ ৬.৩৪ শতাংশ আৰু বিহাৰ আৰু মধ্যপ্ৰদেশত যথাক্ৰমে ২৬.৭৫ আৰু ২৫.৯৫ শতাংশ।

শিক্ষাগত দিশৰ উপৰি আৰ্থিক উন্নতিৰ স্তৰে HDI সূচকাংকত যথেষ্ট প্ৰভাৱ বিস্তাৰ কৰে। অৰ্থনৈতিকভাৱে উন্নত প্ৰদেশসমূহ যেনে— মহাৰাষ্ট্ৰ, তামিলনাড়ু, পঞ্জাব, হাৰিয়ানা আদিৰ HDI সূচকাংক উচ্চমানৰ। আনহাতে আৰ্থিক দিশত অনগ্ৰসৰ অসম, বিহাৰ, মধ্যপ্ৰদেশ আদিৰ সূচকাংক নিম্নমানৰ।

আঞ্চলিক বিকৃতি আৰু সামাজিক বৈষম্যৰ বীজ ঔপনিবেশিক কালৰ পৰাই ভাৰতবৰ্ষত সিঁচি দিয়া হৈছিল আৰু তাৰেই ফল বৰ্তমানো কম-বেছি পৰিমাণে জনগণে ভোগ কৰি আছে। ইয়াৰ প্ৰভাৱ বিশেষকৈ অৰ্থনীতি, ৰাজনীতি আৰু সমাজনীতিৰ ক্ষেত্ৰত বাৰুকৈ অনুভূত হয়। স্বাধীনতাৰ পিচত ভাৰত চৰকাৰে কিছুমান নিৰ্দিষ্ট আঁচনিৰ মাধ্যমেৰে আঞ্চলিক বৈষম্য দূৰীকৰণৰ প্ৰয়াস কৰিছে। আঁচনিবোৰ ৰূপায়ণৰ জৰিয়তে প্ৰভেদ (gap) হ্ৰাস কৰাৰ প্ৰয়াস অব্যাহত ৰাখিছে যদিও আশানুৰূপ ফল লাভ কৰিবলৈ সক্ষম হোৱা নাই।

## জনসংখ্যা, পৰিবেশ আৰু উন্নয়ন ঃ

সাধাৰণ উন্নয়ন আৰু মানৱ সম্পদ উন্নয়ন এই দুয়োটা ধাৰণাই সমাজ বিজ্ঞানৰ জটিল বিষয় আৰু সেয়েহে দুয়োটাকে সুকীয়াভাৱে আলোচনা কৰা হয়। এবাৰ উন্নয়ন সাধন হ'লে সমাজৰ সামাজিক-সাংস্কৃতিক আৰু পৰিবেশৰ কুপ্ৰভাৱবোৰ দূৰ কৰা হয়। উন্নয়নে মানুহৰ জীৱনৰ গুণগত দিশবোৰৰ উত্তৰণ সাধিছে যদিও আঞ্চলিক বৈষম্য, সামাজিক প্ৰভেদ, বৈষম্যতা, বঞ্চনা, মানুহৰ স্থানান্তৰণ, মানৱ অধিকাৰ উলংঘন, মানৱীয় প্ৰমূল্যৰ ভুলুণ্ঠন আৰু পৰিবেশৰ অৱনতি বাঢ়িছে। এনেবোৰৰ গভীৰতাৰ ওপৰত গুৰুত্ব দি UNDPয়ে ১৯৯৩ চনৰ এক প্ৰতিবেদনত উন্নয়ন সম্পৰ্কীয় বিষয়বোৰৰ কিছু সংশোধন আনে। উন্নয়নৰ আঁচনিবোৰত মানুহৰ অংশগ্ৰহণ আৰু সুৰক্ষা মানৱ সম্পদ উন্নয়নৰ প্ৰতিবেদনৰ অন্যতম মূল বিষয় আছিল। উন্নয়নকামী গণতান্ত্ৰিক ব্যৱস্থা আৰু মানুহৰ বৰ্ধিত সবলীকৰণ (increasing empowerment) এই দুয়োটাই আছিল মানৱ সম্পদ বিকাশৰ বাবে গুৰুত্ব প্ৰদান কৰিবলগীয়া বিষয়। প্ৰতিবেদনখনত সৰ্বসাধাৰণ ৰাইজৰ উদগনিমূলক সঁহাৰিৰ জৰিয়তে শান্তি-সম্প্ৰীতি বজাই ৰাখি মানৱৰ বিকাশ সাধন কৰাত গুৰুত্ব প্ৰদান কৰা হৈছে। ৰাইজৰ মতামত সাপেক্ষে সামৰিক ব্যয় হ্ৰাস, সশস্ত্ৰ বাহিনীৰ দল ভংগকৰণ (demobilisation), প্ৰতিৰক্ষা ব্যয়ৰ পৰিবৰ্তে উৎপাদনশীলতালৈ ঢাপলি মেলাৰ প্ৰৱণতাৰ সৃষ্টি, উন্নত দেশবোৰৰ পাৰমাণৱিক শক্তিযুদ্ধৰ আখৰা বন্ধ কৰা আদি অসামৰিক সমাজৰ (Civil Societies) কৰ্তব্য হিচাপে বিবেচনা হ'ব লাগে। পাৰমাণৱিক বিশ্বত শান্তি, কল্যাণ আৰু প্ৰগতি সমগ্ৰ বিশ্ববাসীৰ স্বাৰ্থজড়িত বিষয় হ'ব লাগে।

এই বিচাৰ পদ্ধতিৰ বিপৰীতে নব্য মালথাছীয় (neo-Malthusians), পৰিবেশ বিজ্ঞানী আৰু পৰিবৰ্তনকামী পৰিস্থিতিবিদ (radical ecologists)সকলে অন্য মতবাদৰ পোষণ কৰিছে। তেওঁলোকে বিশ্বাস কৰে যে শান্তিপূৰ্ণ, সুখী সামাজিক জীৱন মানে হ'ল জনসংখ্যা আৰু সম্পদৰ সন্তুলন (balance) হ'ল মানৱ সম্পদ উন্নয়নৰ বাবে প্ৰয়োজনীয় অৱস্থা। এওঁলোকৰ মতে ওঠৰ শতিকাৰ পিচৰ পৰা জনসংখ্যা আৰু সম্পদৰ মাজত প্ৰভেদ ক্ৰমে বৃদ্ধি হৈছে। যোৱা তিনিশ বছৰৰ ভিতৰত সম্পদৰ বৃদ্ধি হৈছে নগণ্য আৰু জনসংখ্যাৰ বৃদ্ধি হৈছে বহুগুণ। সম্পদৰ বৃদ্ধি সীমিত, কিন্তু চাহিদা, বহুগুণে বাঢ়িছে। সেয়েহে যিকোনো উন্নয়নমূলক কাৰ্যৰ আৱভুণিতে সম্পদ আৰু জনসংখ্যাৰ সমতা (parity) থকা বাঞ্ছনীয়।

বিশিষ্ট অৰ্থনীতিবিদ ৰবাৰ্ট মালথাছে পোন প্ৰথমে সম্পদৰ নাটনি আৰু জনসংখ্যা বৃদ্ধিৰ এক তুলনামূলক বিশ্লেষণ দাঙি ধৰিছিল। আপাত দৃষ্টিত এই ধাৰণাটো যুক্তিৰ খাতিৰত শুদ্ধ হ'লেও এই কথা ঠিক যে সম্পদ কোনো পক্ষপাতিত্বমূলক শ্ৰেণীভুক্ত নহয়। সম্পদৰ প্ৰাচুৰ্যতকৈ ইয়াৰ সামাজিক বিতৰণ বিশেষ গুৰুত্বপূৰ্ণ। ঐশ্বৰ্যশালী দেশবোৰৰ সম্পদৰ পৰিমাণৰ ক্ৰমে বৃদ্ধি হৈ গৈ আছে

আৰু তুলনামূলকভাৱে দুখীয়া দেশবোৰৰ সম্পদৰ পৰিমাণ সংকুচিত হৈছে। সম্পদৰ বিতৰণ সকলো ঠাইতেই সমান নহয়। ধনী দেশবোৰৰ সম্পদৰ প্ৰতি অধিক লালসাৰ বাবে দুৰ্বল দেশবোৰৰ পৰা বিভিন্ন উপায়েৰে সম্পদ আহৰণৰ প্ৰতিযোগিতা চলিছে। ইয়াতেই আৰম্ভ হৈছে জনসংখ্যা, সম্পদ আৰু উন্নয়নৰ মাজত অঘোষিত আক্ৰোশমূলক যুদ্ধ।

ভাৰতীয় সংস্কৃতি আৰু সভ্যতা দীৰ্ঘকালজুৰি জনসংখ্যা সম্পদ আৰু উন্নয়নৰ প্ৰতি যথেষ্ট সজাগ হোৱা পৰিলক্ষিত হৈছে। অতীজৰ শিল্পকলা প্ৰকৃতি আৰু মানুহৰ সম্প্ৰীতি আৰু সন্তুলনৰ আধাৰত চৰ্চিত হৈছিল বুলি ক'লেও ভুল কৰা নহ'ব। মহামানৱ মহাত্মা গান্ধীয়েও আনকি দুয়োটাৰ মাজত সম্প্ৰীতিৰ হকে দোহাৰিছিল আৰু সেইমৰ্মে কাম কৰিছিল। আধুনিক সমাজত শিল্পায়নৰ লগে লগে মানুহৰ মানসিকতা, উদ্যম (spirituality), আত্মবিশ্বাস, অহিংসা, পাৰস্পৰিক সহযোগিতা আৰু পৰিবেশৰ প্ৰতি কিছু অনীহাৰ ভাব অহা যেন অনুভৱ কৰিছিল। তেওঁৰ মতে মানুহৰ কৃচ্ছ্ৰসাধন বা বিষয় সুখ ত্যাগ (austerity), সামাজিক সম্পদৰ প্ৰতি বিশেষ আস্থা আৰু অহিংসা আদি ব্যক্তি আৰু জাতিৰ আকংক্ষাপ্ৰাপ্তিৰ চাবি-কাঠি। গান্ধীজীৰ এই ভাৱধাৰা পুনৰ প্ৰতিধ্বনিত হৈছিল ১৯৭২ চনত Club of Rome Report-ৰ 'Limits of Growth, Schumacher's প্ৰকাশিত গ্ৰন্থ 'Small is Beautiful' (১৯৭৪) আৰু Brundtland Commissions's Report 'Our Common Future' (1987) আৰু অৱশেষত বিও-ডি-জেনিৰ'ৰ বিশ্ব সন্মিলনৰ (Earth's Summit Agenda-21 (১৯৯৩) প্ৰতিবেদনত।"

## অনুশীলনী

১। উপযুক্ত উত্তৰটো বাছি উলিওৱা

(i) ২০০৫ চনৰ বিশ্বৰ মানৱ সম্পদ উন্নয়নৰ প্ৰতিবেদনৰ সূচকাংকমতে ভাৰতবৰ্ষৰ স্থান হ'ল

(ক) ১২৬ (গ) ১২৮
(খ) ১২৭ (ঘ) ১২৯

(ii) ভাৰতবৰ্ষৰ মানৱ সম্পদ উন্নয়ন সূচকাংক অনুসৰি কোনখন প্ৰদেশৰ স্থান শীৰ্ষত?

(ক) তামিলনাডু (গ) কেৰালা
(খ) পঞ্জাব (ঘ) হাৰিয়ানা

(iii) ভাৰতবৰ্ষৰ কোনখন প্ৰদেশত ২০০১ চনৰ পিয়ল অনুসৰি মহিলাৰ সাক্ষৰতাৰ হাৰ সৰ্বনিম্ন?

(ক) জম্মু আৰু কাশ্মীৰ (গ) ঝাৰখণ্ড
(খ) পঞ্জাব (ঘ) বিহাৰ

(iv) ভাৰতবৰ্ষৰ কোনখন প্ৰদেশত ০-৬ বছৰৰ বিতৰত নাবালিকা শিশুৰ লিংগৰ হাৰ সৰ্বনিম্ন?

(ক) গুজৰাট (গ) পঞ্জাব
(খ) হাৰিয়ানা (ঘ) হিমাচল প্ৰদেশ

(v) ভাৰতবৰ্ষৰ কোনখন কেন্দ্ৰীয়শাসিত অঞ্চলৰ শিক্ষিতৰ হাৰ সৰ্বাধিক?

(ক) লাক্ষাদ্বীপ (গ) দমন আৰু দিউ
(গ) চণ্ডীগড় (ঘ) আন্দামান আৰু নিকোবৰ দ্বীপপুঞ্জ

২। তলত দিয়া প্ৰশ্নবোৰ ৩০টামান শব্দৰ ভিতৰত উত্তৰ দিয়া।

(i) মানৱ সম্পদ উন্নয়নৰ সূত্ৰ লিখা।

(ii) উত্তৰ ভাৰতৰ প্ৰদেশবোৰৰ অধিকাংশতেই মানৱ সম্পদ উন্নয়নৰ হাৰ নিম্নমানৰ কিয়? দুটা কাৰণ উল্লেখ কৰা।

৩। ১৫০টামান শব্দৰ ভিতৰত উত্তৰ লিখা—

(i) ভাৰতবৰ্ষৰ মহিলা শিক্ষিতৰ স্থানিক আৰ্হি আলোচনা কৰা আৰু ইয়াৰ কাৰণ ব্যাখ্যা কৰা।

(ii) ভাৰতবৰ্ষৰ ১৫খন প্ৰধান ৰাজ্যৰ মানৱ সম্পদ উন্নয়নৰ স্থানিক প্ৰভেদৰ সৃষ্টি কৰা কাৰকবোৰ ব্যাখ্যা কৰা।

□□□